# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১। অহা ১৩ নৱেম্বৰত ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান।

২। প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাছো চেৰিং ট'বগেৰ বাক্সা জিলাৰ দৰঙাত ইমিগ্ৰেচন তালাচী চকীৰ নতুন ভৱন মুকলি।

৩। কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধী নীতি আৰু কৌশল প্ৰস্তুত কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ঘোষণা। **আৰু**

৪। ষট পূজাৰ আজি তৃতীয় দিনা ভক্তসকলৰ নৈৰ পাৰত অস্তগামী সূৰ্যলৈ পূজা অৰ্ঘ্য। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে চাৰিদিনীয়া উৎসৱৰ সামৰণি।

০০০০০

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাই আছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চামগুৰি আৰু বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থী দুগৰাকীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চামগুৰি উচ্চতৰ মাধ্যমিক খেলপথাৰ, বিহালী স্নাতক মহাবিদ্যালয় খেলপথাৰ আৰু মহাবীৰ বিদ্যালয় খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত উন্নয়নৰ স্বাৰ্থত দলীয় প্ৰাৰ্থী দুগৰাকীক সমৰ্থন জনাবলৈ আহ্বান জনায়।

ইফালে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ আন প্ৰাৰ্থীসকলেও ভোটদাতাক আকৰ্ষণ কৰাৰ বাবে বিভিন্ন ধৰণে প্ৰচাৰ চলাইছে। চিদলী বিধানসভাৰ উপ-নিৰ্বাচন সন্দৰ্ভত চিৰাঙ জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰয়ে এইদৰে কয়-

**ভইচ কাষ্ট** (কুঞ্জমোহন ৰয়)

আনহাতে বিটিচি প্ৰধান প্ৰমোদ বড়ো আৰু মন্ত্ৰী তথা বিজেপি নেতা অশোক সিংহালে মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ সমষ্টিটোৰ মালিভেটাত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। একেদৰে বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা বিজেপি নেতা ৰণজিত কুমাৰ দাসে বঙাইগাঁও বিধানসভা সমষ্টিৰ

অন্তৰ্গত এক নম্বৰ চাপাগুৰিত এখন নিৰ্বাচনী সভাত মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীক বিজয়ী কৰাৰ বাবে ভোটদাতাক আহ্বান জনায়।

ooooo

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে আজি বাক্সা জিলাৰ দৰঙাত এটা ইমিগ্ৰেচন তালাচী চকীৰ নতুন ভৱন মুকলি কৰা হয়। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূ-বন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাছো চেৰিং ট'বগেই যুটীয়াভাৱে ভৱনটো উদ্বোধন কৰে। ৰাজ্যপাল শ্ৰী আচাৰ্যই নিজৰ ভাষণত কয় যে সংহত তালাচী চকীয়ে দুয়োদেশৰ মাজত অৰ্থনৈতিক তথা সামাজিক সংযোগ শক্তিশালী কৰিব। ভূটানৰ প্ৰধানমন্ত্ৰী টব্‌গেই এই তালাচী চকীটো প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা উদ্যোগৰ শলাগ লয়। দুয়োগৰাকীয়ে সীমান্তৰ পৰা ৭০০ মিটাৰ দূৰৈত থকা ভূ-বন্দৰটোৱে প্ৰাদেশিক সংযোগ আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে বুলি প্ৰকাশ কৰে। ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথে আগবঢ়োৱা উন্নত যোগাযোগৰ সুবিধা তথা ভূটানত শক্তিশালী শুল্ক আন্তঃগাঁথনিৰ সুবিধা গ্ৰহণ কৰাৰ বাবে তালাচী চকীটো সহায়ক হ'ব বুলিও তেওঁলোকে কয়। বিশেষকৈ চমজং ব্ৰেগু আৰু চামদ্ৰুপ জাংখাৰৰ বজাৰসমূহে দুয়োখন ৰাষ্ট্ৰৰ মাজত সাংস্কৃতিক সমন্বয়ৰ সেঁতু গঢ়ি তুলিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। তালাচী চকী ভৱনটোৰ উদ্বোধন ভাৰত আৰু ভূটান উভয়ৰে অংশীদাৰী সমৃদ্ধিৰ প্ৰতীক হিচাপে পৰিগণিত হ'ব বুলিও তেওঁলোকে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা এই ইমিগ্ৰেচন তালাচী চকীটোত দৰঙা সীমান্তইদি কৰা ভ্ৰমণ আৰু বাণিজ্য সুশৃংখলিত কৰাৰ আধুনিক ব্যৱস্থা আছে। দৰঙাত এই তালাচী চকীৰ ভৱনটো ভাৰত আৰু ভূটানৰ যুটীয়া উদ্যোগত স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে এই নতুন ভৱনৰ নিৰ্মাণে ভাৰত আৰু ভূটানৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। দুয়োদেশৰ ৰাষ্ট্ৰীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, কেন্দ্ৰীয় মন্ত্ৰী সঞ্জয় কুমাৰ, সাংসদ দিলীপ শইকীয়া বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধী নীতি আৰু কৌশল প্ৰস্তুত কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিছে। আজি নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া সন্ত্ৰাসবাদ বিৰোধী সন্মিলন, ২০২৪ উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা বিগত ১০ বছৰত চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে। তেওঁ কয়, যে শ্ৰী মোদীৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতিক বিশ্বৰ বিভিন্ন দেশে ভূয়সী প্ৰশংসা কৰিছে। যোৱা ১০ বছৰত দেশত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ এটা শক্তিশালী ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে কয়, যে ২০০৬ চনৰ পৰা ২০১৩ চনৰ সময়ছোৱাতকৈ ২০১৪ৰ পৰা ২০২১ চনলৈ দেশত সন্ত্ৰাসবাদজনিত ঘটনা ৭০ শতাংশ হ্ৰাস পাইছে। শ্ৰী শ্বাহে লগতে কয় যে চলিত বছৰত প্ৰৱৰ্তন কৰা তিনিখন নতুন ফৌজদাৰী আইন বিশ্বৰ ভিতৰতে আটাইতকৈ আধুনিক আৰু কাৰিকৰীভাৱে আগবঢ়া হিচাপে পৰিগণিত হ'ব। তেওঁ কয় যে সুৰক্ষাৰ সৈতে জড়িত আইনসমূহ শেহতীয়াকৈ সংশোধন কৰা হৈছে।

**-বাইট-**

শ্ৰী শ্বাহে তেওঁৰ ভাষণত স্বাধীনতা লাভৰ পাছৰে পৰা দেশৰ আভ্যন্তৰীণ সুৰক্ষা আৰু সীমান্তৰ নিৰাপত্তা বৰ্তাই ৰখাৰ বাবে প্ৰাণ আহুতি দিয়া ৩৬ হাজাৰ ৪৬৮ গৰাকী আৰক্ষী কৰ্মীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা- এন আই এৰ উদ্যোগত এই দুদিনীয়া সন্মিলনখনৰ আয়োজন কৰা হৈছে।

০০০০০

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া ৰাজীৱ লোচন বৰঠাকুৰে আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ উপ-সঞ্চালক হিচাপে যোগদান কৰিছে। শ্ৰী বৰঠাকুৰে আকাশবাণী গুৱাহাটীৰ লগতে কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটীস্থিত কাৰ্যালয়তো আঞ্চলিক বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰিব। আজি কাৰ্যালয়ত যোগদান কৰাৰ পাছত তেওঁ আকাশবাণীৰ বাতৰি বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ আঞ্চলিক বাতৰিৰ মান উন্নত কৰাৰ ক্ষেত্ৰত বিভিন্ন বিষয় লৈ আলোচনা কৰে।

০০০০০

কৰ্কট ৰোগৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন আৰু ব্যাপক সজাগতা সৃষ্টিৰ বাবে আজি ৰাষ্ট্ৰীয় কৰ্কট সজাগতা দিৱস পালন কৰা হৈছে। এই দিৱস ২০১৪ চনৰ ৭ নৱেম্বৰৰ পৰা প্ৰতি বছৰে পালন কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে এই ৰোগৰ প্ৰতিৰোধ, আৰম্ভণিতেই ৰোগ চিনাক্তকৰণ আৰু উপযুক্ত চিকিৎসা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি অহা হৈছে। কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা ৰেডিয়াম আৰু প'ল'নিয়ামৰ আৱিষ্কাৰক তথা প'লেণ্ড-ফ্ৰান্সৰ ৰসায়নবিদ মেৰী কুৰীৰ জন্ম দিৱসো আজিৰ দিনটোতেই উদযাপন কৰি অহা হৈছে।

ৰাষ্ট্ৰীয় কৰ্কট সজাগতা দিৱসত দেশৰ চৰকাৰী চিকিৎসালয়, কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনি আৰু পৌৰ স্বাস্থ্য কেন্দ্ৰসমূহত জনসাধাৰণৰ বিনামূলীয়া পৰীক্ষাৰ ব্যৱস্থা কৰা হয়। এই দিৱস পালনৰ বিষয়ে ২০১৪ চনৰ ছেপ্তেম্বৰত তদানীন্তন কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হৰ্ষবৰ্ধনে ঘোষণা কৰিছিল। তেতিয়াৰে পৰা দেশত এই ৰোগৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে।

০০০০০

সূৰ্য দেৱতাক ধৰ্মীয় ৰীতি-নীতিৰে আৰাধনা কৰি কল্যাণ কামনাৰে সম্পন্ন কৰা ষট পূজাৰ আজি তৃতীয় দিনা ভক্তসকলে নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়ায়। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ ব্ৰহ্মপুত্ৰ পাৰৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নৈৰ ঘাটসমূহত অগণন ভক্তৰ সমাগম হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতিয়ে এটা বাৰ্তাযোগে কয় যে ষট পূজা দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম আৰু সূৰ্য দেৱতাৰ উপাসনাৰ এটা উপলক্ষ। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ জ্যোতিকুছিত আয়োজিত ষট্ পূজাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি জনসাধাৰণক সম্বোধি ভাষণ দিয়ে। ইপিনে, ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থকাটো বাঞ্চনীয়। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

ধুবুৰী জিলাত আজি ষট্ পূজা উপলক্ষে অগণন ভক্তই সূৰ্য দেৱতাক আৰাধনা কৰে। এই উপলক্ষে চহৰখনত উখল-মাখল পৰিৱেশে বিৰাজ কৰে। কৰিমগঞ্জ জিলাৰ বদৰপুৰ ষট্ পূজা সংগঠনৰ উদ্যোগত জিলাখনত এই পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হয়। ভালেসংখ্যক ভক্তই আজি নৈৰ পাৰত সূৰ্য দেৱতাৰ আৰাধনা কৰে। তিনিচুকীয়া জিলাতো আজি ষট্ পূজা উপলক্ষে নৈৰ ঘাটসমূহত ভক্তসকলে সমবেত হৈ নৈবেদ্য আগবঢ়ায়। ইপিনে, গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰৰ কাছাৰী ঘাটত ষট্ পূজাৰ আয়োজন কৰা হয়। ভক্তসকলে ধূপ-দীপ-নৈবেদ্যৰে সূৰ্য দেৱতাৰ আৰাধনা কৰে। কাইলৈ পুৱা উদিত সূৰ্যৰ আৰাধনাৰে এই পূজাৰ সামৰণি পৰিব।

০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি বোকাখাত সম-জিলাৰ উদ্যোগত আয়োজিত ভাষা গৌৰৱ সপ্তাহ উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰীগৰাকীয়ে অসমীয়া ভাষা সাহিত্যৰ ভেঁটি শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰি থৈ যোৱা অসমীয়া জাতীয় জীৱনৰ মনিষী, পণ্ডিত, গৱেষক আৰু পুৰোধা ব্যক্তিসকললৈ শ্ৰদ্ধা জনায়। তেওঁ অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰাত নিৰ্ণায়ক ভূমিকা প্ৰদান কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে এই পৰিক্ৰমাটো আনুষ্ঠানিক ৰূপ দিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

সত্ৰীয়া সংস্কৃতিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা কেইবাগৰাকী বিশিষ্ট ব্যক্তিলৈ সদৌ অসম সত্ৰ মহাসভাই বিভিন্ন বঁটা আগবঢ়াইছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মহাসভাৰ নেতৃবৃন্দই কয় যে, মাজুলীৰ শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীক সত্ৰ বৈভৱ বঁটা, মাজুলীৰ শ্ৰীশ্ৰীগড়মুৰ সত্ৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱগোস্বামীলৈ সত্ৰ সৌৰভ বঁটা, নৃত্যাচাৰ্য যতীন গোস্বামীলৈ আন্তঃৰাষ্ট্ৰীয় সত্ৰীয়া শিল্পী বঁটা, মঙলদৈৰ সত্ৰীয়া শিল্পী ভানু ডেকা চহৰীয়া আৰু জাগীৰোড মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সত্ৰীয়া শিল্পী খগেন শৰ্মালৈ ৰাষ্ট্ৰীয় সত্ৰীয়া শিল্পী বঁটা, যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ পবিত্ৰ প্ৰাণ গোস্বামী আৰু নগাঁও মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা ড০ কৰবী দেৱীলৈ ৰাজ্যিক সত্ৰীয়া সংগীত শিল্পী বঁটা আগবঢ়োৱা হ'ব। অহা ১৫ নৱেম্বৰত গোলাঘাটত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় সত্ৰীয়া সংস্কৃতি দিৱসত বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি সত্ৰ মহাসভাৰ নেতৃবৃন্দই সংবাদমেলত প্ৰকাশ কৰে।

০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পৰহিলৈৰ পৰা দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ১৯৯৮ চনৰ ৯ নৱেম্বৰত কলাক্ষেত্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছে। পৰহিলৈৰ পুৱা কলাক্ষেত্ৰৰ কীৰ্তনঘৰত নাম-প্ৰসংগ আৰু আয়তীসকলৰ দিহানামেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হব। দিনৰ ভাগত বৰ্ণালী শীৰ্ষক অসমৰ বাৰে ৰহণীয়া লোকনৃত্যৰ অনুষ্ঠান আৰু সন্ধিয়া অসমৰ নাট্য তথা চলচ্চিত্ৰ জগতৰ অন্যতম পুৰোধা সদ্যপ্ৰয়াত কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু নাট্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা সোণালী সুদিন শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্পʼৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

ooooo

সমাপ্ত